# অসমীয়া সংস্কৃতিত বিভিন্ন নৃগোষ্ঠীৰ মৌলিক উপাদান

## ৬.০০ নিগ্ৰ' বা নেগ্ৰিটি'সকলৰ সাংস্কৃতিক উপাদান

নেগ্ৰিটোসকলৰ ৰক্ত কণিকা বৰ্তমান অসমৰ জনগোষ্ঠীসকলৰ মাজত পৰিলক্ষিত নহলেও তেওঁলোকৰ সাংস্কৃতিক উপাদানৰ প্ৰভাৱ দেখা যায়। উদাহৰণস্বৰূপে, আঁহত, ডিমৰু আদি গছক পবিত্ৰ জ্ঞান কৰা ঘৰৰ ভিতৰলৈ সোমোৱাৰ পথত মৌৰ বিচনী ওলোমাই থোৱা, মৃত্যুৰ পিছত আত্মাই এটা দুৰ্গম পথ অতিক্ৰম কৰিব লাগে বুলি বিশ্বাস আদি কথাবোৰ অসমীয়া সংস্কৃতিলৈ নেগ্ৰিটো সংস্কৃতিৰ পৰা অহা বুলি অনুমান কৰা হৈছে। উল্লেখযোগ্য যে, উল্লিখিত ধৰণৰ বিশ্বাস বা সংস্কাৰবোৰ অসমীয়া সংস্কৃতিত কম বেছি পৰিমাণে আজিও দেখিবলৈ পোৱা যায়। মন কৰিব পাৰি যে, নেগ্ৰিটি'সকলে বিশ্বাস কৰা 'মানুহৰ মৃত্যুৰ পিছত আত্মাই এটা দুৰ্গম পথ অতিক্ৰম কৰিব লাগে' ৰ নিচিনা বিশ্বাসেই একপ্ৰকাৰে ভাৰতীয় সংস্কৃতিৰো সামগ্ৰিক নিয়ামক বুলিব পাৰি। কাৰণ, ভাৰতীয় বা অসমীয়া মানুহৰ ধৰ্ম, দৰ্শন, পৰজন্ম-পুনৰ জন্ম আদিৰ নিচিনা বিশ্বাসবোৰৰ মূল আধাৰ উল্লিখিত ধৰণৰ বিশ্বাসটোহে। প্ৰাচীন কালৰে পৰা চলি নানা ধৰ্মগ্ৰন্থৰো মূল আধাৰ এই আত্মা সম্পৰ্কীয় বিশ্বাসটোহে। যদিহে আত্মাৰ অস্তিত্ব মানি লোৱা নহ'লহেতেন তেতিয়া উল্লিখিত ধৰণৰ কথাবোৰ উৎপত্তিৰ বা বিশ্বাসৰো কোনো প্ৰয়োজন নাথাকিলেহেতেন। আৰু তাকে লৈ গ্ৰন্থাদি প্ৰণয়ণৰো অৱকাশ নাথাকিলেহেতেন। তিতা লাওৰ খোলৰ পাত্ৰ, কল পটুৱাৰ খোল, সাগৰীয় কড়ি আৰু শংখেৰে নিৰ্মিত খাৰু মালা আৰু অন্যান্য আভৰণ, হাতী দাঁত বা হৰিণৰ শিঙৰ জুবুৰা কটাৰী, শিঙৰ শিঙা বাদ্য, সুতুলী আৰু চিলিম আদি আদিম সংগ্ৰহজীৱী নেগ্ৰিট'সকলৰ অৱদান বুলি নৃতাত্ত্বিকসকলে মতপ্ৰকাশ কৰিছে। ভূত-প্ৰেতৰ ধাৰণা, মৃত পূৰ্বপুৰুষলৈ সেৱা-সৎকাৰ আৰু তিৰোতাৰ কবৰ স্থানৰ ওপৰত ইংৰাজী ভি আখৰৰ আৰ্হিৰ গছৰ ডাল পোতা আদি কৃত্যসমূহ নেগ্ৰিট'সকলে পালন কৰিছিল।

## ৬.০১ অষ্ট্ৰেলীয়সকলৰ সাংস্কৃতিক উপাদান

অষ্ট্ৰেলীয়সকলৰ সংস্কৃতিৰ উপাদান অসমীয়া সংস্কৃতিৰ দীঘে-বানিয়ে উপচি আছে। তেওঁলোকেই প্ৰথমতে কৃষি সভ্যতাৰ পাতনি মেলিছিল আৰু গাঁও পাতি বসবাস কৰিছিল। অসমৰ সংস্কৃতিত উৰ্বৰা বিশ্বাস আধাৰিত কৃত্যসমূহ অষ্ট্ৰেলীয়সকলৰেই অৱদান। ইয়াৰ ভিতৰত বছৰৰ তিনিটা বিশেষ সময়ত তিনিটা বিহু পালন অন্যতম। তামোল-পাণৰ ব্যৱহাৰ তেওঁলোকেই আৰম্ভ কৰিছিল। উল্লেখ নিষ্প্ৰয়োজন যে, তিনিটা বিহু আৰু প্ৰায় সকলোবোৰ সাংস্কৃতিক কৰ্মতে তামোল-পাণৰ অত্যন্ত গুৰুত্বপূৰ্ণ ব্যৱহাৰ অসমীয়া সংস্কৃতিৰ দুটা গুৰুত্বপূৰ্ণ দিশ হিচাপে অতীতৰে পৰা চিহ্নিত হৈ আহিছে। এতিয়াও মন কৰিব পাৰি যে, বহু অসমীয়া মানুহে চিকিৎসা বিজ্ঞানৰ কথাবোৰ জনাৰ পিছত বা অন্য কথাৰ বাবে তামোল খাবলৈ এৰি দিছে। কিন্তু সেইবুলি বিয়া-বাৰু, সকাম-নিকাম আদিত অত্যন্ত গুৰুত্ব সহকাৰে তামোল পাণ ব্যৱহাৰ কৰি থাকিবলগীয়া হৈয়েই আছে। অষ্ট্ৰেলীয়সকলেই কিছুমান বনৰীয়া জীৱ-জন্তু পোঁহ মনাই ঘৰচীয়া কৰাৰ উপৰিও বনৰীয়া ফল-মূলৰ গছ আনি ঘৰৰ বাৰীত ৰুইছিল। অসমীয়া মানুহৰ ঘৰ একোখন গৰু-ছাগলী, কুকুৰ-মেকুৰী, হাঁহ-পাৰ আদিৰে ভৰপূৰ হৈ থকাৰ কথাটো এইখিনিতে মনত পেলাব পাৰি। আনহাতে তামোল-পাণ, আম-কঁঠাল, কল-আমলখি আদিৰ পুলি একোটা ৰোৱাতো এতিয়াও অসমীয়া মানুহৰ স্বভাৱজাত প্ৰবৃতিতিৰ নিচিনাই হৈ আছে। এনে ধৰণৰ কৃত্যসমূহৰ অনুপ্ৰেৰণা অষ্ট্ৰেলীয়সকলৰ পৰাই অহা বুলি স্বাভাৱিকতে অনুমান কৰিব পাৰি।

অতীতৰে পৰা বৰ্তমানলৈকে অসমীয়া সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত প্ৰকাশ্যভাৱে বা প্ৰচ্ছন্নভাৱে প্ৰবাহিত হৈ থকা এক কৃষিকেন্দ্ৰিক গ্ৰাম্য সভ্যতাৰ প্ৰচ্ছায়া অষ্ট্ৰিকসকলৰে সাংস্কৃতিক অৱদান। মন কৰিব পাৰি, অসমীয়া মানুহৰ খোৱা-বোৱা, পিন্ধা-উৰা, ঘৰ-দুৱাৰ সজা, গীত-নৃত্য-বাদ্য আদি পৰিৱেশন এই সকলোতে এটা গ্ৰাম্য-স্বৰূপেই প্ৰকাশিত হৈ আহিছে। সাম্প্ৰতিক কালত বহুলোকে নগৰত বসবাস কৰিবলগীয়া হৈছে যদিও সেইসকলৰ মনৰ পৰাও গ্ৰাম্য জীৱনযাত্ৰাৰ মোহ সমুলঞ্চে নাইকিয়া হৈ যোৱা নাই। অতি সাম্প্ৰতিক কালৰ আধুনিকতাবাদী অসমীয়া কবিতাৰো সৰহ সংখ্যকতেই এৰি গ্ৰাম্য জীৱনৰ প্ৰতি অহেতুক আকৰ্ষণেই ঘাই উপজীব্য হিচাপে প্ৰতিফুলত হৈ আছে। অনুভূতিপ্ৰৱণ কবিসকলৰ মনৰ পৰা গ্ৰাম্য জীৱনৰ মোহ সমুলঞ্চে নোহোৱা হৈ নোযোৱাটোৱেই ইয়াৰ কাৰণ বুলি

অনুমান কৰিব পাৰি।

তদুপৰি অসমীয়া সমাজ-সংস্কৃতিত সৰ্বাত্মকভাৱে বিয়পি থকা এক মাতৃতান্ত্ৰিক ধাৰণাৰ প্ৰভাৱ অষ্ট্ৰেলীয়সকলৰেই অৱদান। অষ্ট্ৰেলীয়সকলৰ বৰঙণিৰ আন এটা উল্লেখনীয় দিশ হ'ল এওঁলোকে নাৰীক যথেষ্ট গুৰুত্ব দিছিল। মন কৰিবলীয়া যে অসমত সুদুৰ অতীতৰে পৰা নাৰীসকল গুৰুত্ব সহকাৰে বন্দিত হৈ আহিছে। আৰম্ভণিতে হয়তো কৃষিকৰ্ম কৰিবলগা হোৱা বাবেই এইলোকসকলে, নাৰীসকলক গুৰুত্ব দিবলৈ বাধ্য হৈছিল। কাৰণ কৃষিকৰ্ম অকল পুৰুষেই কৰিব নোৱাৰে। ইয়াত নাৰীয়েও সমানে অংশগ্ৰহণ কৰিব লগীয়া হয়। আনহাতে সমাজবিজ্ঞানীসকলে ইতিমধ্যে এইটোও ঠাৱৰ কৰিছে যে, উৎপাদনত অংশগ্ৰহণ কৰিব পাৰিলেহে পৰিয়াল বা সমাজৰ কোনো এজন সদস্য মৰ্যাদা সহকাৰে জীয়াই থাকিবলৈ সমৰ্থ হয়। কিন্তু যেনেকৈয়ে আৰম্ভ নহওক লাগিলে অষ্ট্ৰেলীয়সকলৰ পৰাই অসমীয়া সংস্কৃতিলৈ অহা এনে ধাৰণাৰ পৰাই অসমীয়া মানুহৰ ধৰ্ম-দৰ্শন বা বিশ্বাসৰ বহুবোৰ প্ৰসংগৰ সৃষ্টি হ'ল। অসমীয়া সংস্কৃতিত বিদ্যমান বিভিন্ন নামেৰে বিভিন্ন ধৰণেৰে হোৱা দেৱী পূজা, 'অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে' আদিৰ নিচিনা উল্লেখ উদ্ধৃতিলৈ এই প্ৰসংগতে মনত পেলাব পাৰি।

উল্লিখিত ধৰণৰ প্ৰসংগসমূহৰ উপৰিও অসমৰ সংস্কৃতিত বিদ্যমান প্ৰজনন সংক্ৰান্তীয় আচাৰ-অনুষ্ঠানসমূহো অষ্ট্ৰেলীয়সকলৰেই অৱদান বুলি ঠাৱৰ কৰা হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে, ভাৰতীয় ধৰ্মীয় ঐতিহ্যত দেৱাদিদেৱ মহাদেৱ বুলি উল্লেখ কৰা শিৱকো লিংগ ৰূপতহে পূজা কৰা হয়। এই লিংগও আকৌ প্ৰতিষ্ঠিত হয় যোনি আকৃতিৰ এক পীঠৰ ওপৰত। সাম্প্ৰতিক কাল পৰ্যন্ত প্ৰচলিত হৈ থকা নোৱাই তোলনী বিয়াৰ 'কনাই'টোও সন্তানৰেই প্ৰতীক। সেইসময়ৰ পৰা ছোৱালীজনীয়ে শাৰীৰিকভাৱে সন্তান জন্ম দিয়াৰ সক্ষমতা লাভ কৰিলে। গতিকে তাইক সন্তান জন্ম সম্বন্ধীয় আচাৰ-আচৰণবোৰ জনাই দি মানসিকভাৱেও প্ৰস্তুত কৰি তুলিব লাগে। নোৱাই তোলনী বিয়াৰ তাৎপৰ্য এইটোৱেই বুলি ক'লেও নিশ্চয় বৰ ভুল কোৱা নহ'ব। তদুপৰি ছোৱালীজনীক প্ৰতীকিভাৱে এটা কলৰ পুলিৰ লগত বিয়া দিয়া হয়। কলগছৰ পুলি-পোখা বেছিকৈ ওলায়। পুষ্পিতা হোৱা ছোৱালীজনীৰ পৰাও ভৱিষ্যতে বহুসংখ্যক ল'ৰা-ছোৱালীৰ জন্ম হ'ব। সাম্প্ৰতিক কালৰ দৃষ্টিভংগীৰে এনে বিশ্বাসৰ সাৰৱত্তা ধৰা নপৰিলেও পুৰণি কালত এনে বিশ্বাসৰ আধাৰতেই উল্লিখিত ধৰণৰ কৃত্যসমূহ সম্পন্ন কৰা

হয় বুলি অনুমান কৰিব পাৰি। কাঠেৰে নির্মিত সামগ্রীসমূহৰ বিভিন্ন ধৰণে কৰা ব্যৱহাৰ অষ্ট্রিকসকলৰ অৱদান বুলি অনুমান কৰিব পাৰি। মাছ চিকাৰ কৰা গোটা কাঠৰ নাও, উৰাল, কাঠৰ হেতা, মদৰ পাত্র আদিবোৰ অষ্ট্রিকসকলৰ অৱদান বুলি অনুমান কৰিব পাৰি।

## ৬.০২ মংগোলীয়সকলৰ সাংস্কৃতিক উপাদান

অসমৰ ভাষা, ধৰ্ম, লোকবিশ্বাস, লোকসংস্কৃতি— এই সকলোতে মংগোলীয় উপাদান উপচি আছে। অসমীয়া ভাষাটো ভাৰতীয় আর্য ভাষাৰ পৰা ওলোৱা যদিও ইয়াৰ উচ্চাৰণ, অনুনাসিকীকৰণ, বিভিন্ন ধন্যাত্মক শব্দ, অনুকাৰ অনুৰূপ শব্দ আদিৰ ক্ষেত্ৰত মংগোলীয় প্ৰভাৱ পৰিলক্ষিত হয়। অসমৰ লোকসকলে জীৱনযাত্ৰাৰ বিভিন্ন পৰ্যায়ত কৰা বাঁহৰ ব্যৱহাৰ মংগোলীয়সকলৰ অৱদান। ভিন ভিন মাছ ধৰা সজুঁলি, তাঁতশালৰ সজুঁলি, ঘৰ সজা সজুঁলি, মাছৰ নাম, গছ-লতা-ধানৰ নাম আদিৰ ক্ষেত্ৰত ব্যৱহৃত সৰহভাগ শব্দই বিভিন্ন মংগোলীয় ভাষাৰ পৰা অহা। অসমৰ সংস্কৃতিৰ ধৰ্মীয় দিশত মংগোলীয়সকলৰ অৱদানৰ বিষয়ে ড° লীলা গগৈদেৱে উল্লেখ কৰিছে —

> “অসমৰ হিন্দু ধৰ্মত ভাৰতীয় প্ৰভাৱ স্পষ্ট ; কিন্তু সেয়ে হ'লেও তাৰ আঁৰতেই মূল মংগোলীয় ধাৰণাই ঠাই উলিয়াই লৈছে। হিন্দু শিৱ, দুৰ্গাৰ কাষতে কুন্দিমামা, পিশাচীডেমা, বাথৌ-ব্ৰাই, মহাদেউ, বুঢ়াগোসাই, বুঢ়ীগোসানী, কেঁচাইখাতী, সুবচনী হৈ পুৰণি ধৰণেৰে নিজৰ নিজৰ পুৰোহিতৰ হাতেৰে পূজা-পাতল খাই আছে। উক্ত অনুষ্ঠানসমূহত এতিয়াও ব্ৰাহ্মণ পুৰোহিতৰ প্ৰয়োজন নাই।. . . মংগোলীয় ধৰ্মবিশ্বাস মূলতঃ ৰক্তজড়িত উৰ্বৰা বিশ্বাসৰ পৰিণতি মাত্ৰ।”
>
> — অসমৰ সংস্কৃতি, পৃ. ১৮২

উল্লেখযোগ্য যে, অষ্ট্ৰেলীয়সকলৰ দ'ৰেই মংগোলীয়সকলৰ সমাজতো নাৰীৰ মূল্য অধিক। অসমীয়া বিয়া এখনৰ লগত জড়িত হৈ থকা লোকবিশ্বাস আধাৰিত কৃত্যসমূহ যেনে— সুৱাগুৰি তোলা, গাঁঠিয়ন খুন্দা, পানী তোলা, খোবাখুবী সকাম পতা, মূৰত তেল দিয়া, বেই সজা, কুলাবুঢ়ী নচা আদিবোৰ মংগোলীয় সংস্কৃতিৰে উপাদান। “আনহে নালোগে বিয়াৰ দিনাই কন্যাক দৰাঘৰলৈ

স্থায়ীবাৰে লৈ অহা নিয়মটোও মংগোলীয়।" (উল্লিখিত গ্ৰন্থ পৃ. ১৮৪)

## ৬.০৩ দ্ৰাবিড়সকলৰ সাংস্কৃতিক উপাদান

উল্লেখযোগ্য যে, কামৰূপৰ শোণিতপুৰত বাণৰজাই ৰাজত্ব কৰাৰ আখ্যান পোৱা যায়। তেজপুৰ শব্দৰ 'তেজ' আৰু 'পুৰ' — এই দুয়োটাই দ্ৰাবিড় ভাষাৰ শব্দ। আনহাতে তেজপুৰৰ ওচৰে-পাজৰে ঠাই বা নগৰ বুজোৱা অৰ্থত 'জুলি' আৰু 'পুৰ' শব্দযুক্ত বহুকেইখন ঠাই পোৱা যায়। ইয়াৰ পৰা এই অঞ্চললৈ দ্ৰাবিড়সকলৰ আগমণৰ ঐতিহাসিকতা প্ৰমাণ কৰিব পৰা যায়।

এওঁলোকে নগৰ পাতি বসবাস কৰিছিল। সিন্ধু প্ৰদেশৰ হৰপ্পা আৰু মহেঞ্জোদাৰো এওঁলোকৰ সাংস্কৃতিক বিকাশৰ সৰ্বোচ্চ নিদৰ্শন হিচাপে ইতিমধ্যে স্বীকৃত হৈছে। ইতিমধ্যে আৱিস্কৃত হোৱা বাসগৃহ, পশুপালনৰ বিভিন্ন ব্যৱস্থা, চিত্ৰ কলা আৰু ভাস্কৰ্য, অয়-অলংকাৰ, সাজ-পোছাক আদিৰ নিদৰ্শনসমূহৰ পৰা ভাৰতবৰ্ষলৈ আৰ্যসকলৰ আগমনৰ আগৰে পৰা এটা সুপ্ৰাচীন সুসভ্য জাতিয়ে বসবাস কৰিচিল বুলি প্ৰতীয়মান হৈছে। দ্ৰাবিড়সকল লিংগ আৰু যোনীপূজক আছিল। মাতৃদেৱীৰ ধাৰণা আৰু শিৱপূজাৰ পৰম্পৰা দ্ৰাবিড়সকলৰ পৰাই ভাৰতীয় সংস্কৃতিত প্ৰৱেশ কৰিছিল বুলি অনুমান কৰিব পাৰি। এওঁলোকে নাও আৰু পানীত চলা অন্যান্য বাহন আদিও ব্যৱহাৰ কৰিছিল আৰু খেতিবাতিত পাৰ্গত আছিল। দ্ৰাবিড়সকলে সূতা-কটা, কপোৰ বোৱা আৰু ৰং কৰা প্ৰণালীও ভালকৈ জানিছিল। তেঁওলোক মৃৎ শিল্পতো চহকী আছিল। দ্ৰাবিড়সকলৰ সম্ভৱতঃ নিজা লিপিও আছিল।

## ৬.০০ আলপাইনসকলৰ সাংস্কৃতিক উপাদান

আলপাইনসকলে পূব ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ বিকাশত বিশেষ অৰিহণা আগবঢ়াইছিল। তেওঁলোকে প্ৰাচীন অসমৰ শোণিতপুৰক কেন্দ্ৰ কৰি এক সভ্যতাৰ বিকাশ ঘটাইছিল। উল্লেখযোগ্য যে, প্ৰাচীন অসমত বৌদ্ধ ধৰ্ম কিছু গোপনেহে চৰ্চা কৰা হৈছিল বুলি চীনা পৰিব্ৰাজক হিউৱেন চাঙে উল্লেখ কৰি গৈছে। কামৰূপত বৈষ্ণৱ ধৰ্মৰ প্ৰৱল সোঁত প্ৰবাহিত হৈ থকাৰ বাবে মধ্যযুগৰ অসমত বৌদ্ধসকলক বামাচাৰী তান্ত্ৰিক বুলি অভিহিত কৰা হৈছিল। একেদ'ৰেই ম্লেচ আৰু অনাৰ্য বুলিও অভিহিত হোৱাৰ বাবে এওঁলোকৰ অৱদানসমূহৰ বিষয়ে উল্লেখ-উল্লিখনসমূহ প্ৰত্যন্ত প্ৰদেশত ৰৈ গৈছে। সেয়ে পশ্চিমীয়া প্ৰশস্তমস্তকী বা আলপাইনসকলৰ সাংস্কৃতিক

উপাদানসমূহৰ বিষয়ে বৰ বেছি তথ্য-পাতি পাবলৈ নাই।

## ৬.০৫ আৰ্যসকলৰ সাংস্কৃতিক উপাদান

আৰ্যসকল যাযাবৰ আৰু পশু পালক আছিল। তেওঁলোকে গৰুক পবিত্ৰ জ্ঞান কৰিছিল। গতিকে অসমীয়া লোকসকলে গৰুক পবিত্ৰ জ্ঞান কৰাৰ ধাৰণা আৰ্যসকলৰ পৰা পোৱা বুলি অনুমান কৰিব পাৰি। তেওঁলোকে ঘোঁৰাৰ ব্যৱহাৰো কৰিছিল। পিছলৈ স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাৰ পৰা তেওঁলোকে খেতিবাতি কৰি জীৱন নিৰ্বাহ কৰিবলৈ ধৰে। লোৰ সজুলিৰ ব্যৱহাৰ জনাৰ বাবে আৰ্যসকলৰ সভ্যতাৰ ক্ষিপ্ৰ বিকাশ ঘটিছিল। আৰ্যসকলে নিজৰ ভাষাও লগত লৈ আহিছিল। পিছলৈ এই ভাষা সংস্কৃত নামেৰে জনাজাত হৈ পৰিছিল। উল্লেখ নিস্প্ৰয়োজন যে, বৰ্তমানৰ অসমীয়া ভাষাটো সংস্কৃত ভাষাৰ পৰাই ওলাইছে। ভাৰতীয় সংস্কৃতিত বৰ্ণাশ্ৰম ব্যৱস্থা আৰ্যসকলৰে দান। এইখিনিতে উল্লেখযোগ্য যে, ভাৰতীয় ইতিহাসৰ সময় পৰিক্ৰমাৰ এটা সময়ত এই বৰ্ণাশ্ৰম ব্যৱস্থাই বাৰুকৈয়ে তিক্ততাৰ সৃষ্টি কৰিছিল যদিও সামাজিক শৃংখলাৰ বাবে, কোনো কোনো ক্ষেত্ৰ ত এনে ব্যৱস্থাৰ প্ৰয়োজনীয়তাও স্বীকৃত নোহোৱাকৈও থকা নাই।